# PROJECT WORK

## Paper Code: EDU-HC-6026

**Topic:** **"Effect of Mobile Among Adolescence in Present Situation" – A Descriptive Study Among Parents and Teacher in Nalbari District**


***Submitted By-***

**Name : Pubali Haloi**
**Class: B.A. 6th Semester**
**Sub: Education(Major)**
**Roll No: UA-211-193-0236**
**Reg. No: 21086536**

***Submitted To-***

**Ms. Kannaki Bora**
**Assistant Prof.**
**Education Dept.**



**MAHENDRA NARAYAN CHOUDHURY BALIKA MAHAVIDYALAYA, NALBARI**
**2024**

# CONTENT



| Sl no | Topic | Page no |
|---|---|---|
| 1 | Abstract | 1 |
| 2 | CHAPTER-1<br>(i) Introductiom<br>(ii) objective<br>(iii) Need of the study<br>(iv) Area of study | <br>2-3<br>4<br>4<br>5 |
| 3 | CHAPTER-2<br>Review of the Related Literature | 6-7 |
| 4 | CHAPTER-3<br>(i) Methodology and Procedure<br>(ii) Data collectiom Method<br>(iii) Tool use<br>(iv) Descriptiom about the tool<br>(v) Sampling Technique<br>(vi) Sample | <br>8<br>8<br>9<br>9<br>9<br>10 |
| 5 | CHAPTER-4<br>(i) Analysis and Interpritation<br>(ii) Result | <br>11-28<br>29 |
| 6 | CHAPTER-5<br>Educational Implicatiom<br>Suggestiom | <br>30-31<br>31 |
| 7 | Conclussiom | 32-33 |
| 8 | Refferences | 34 |
| 9 | Appendices | 35-38 |

## সাৰাংশ (Abstract) :

মই কৰা গৱেষণাটোৰ নাম হৈছে " বৰ্তমান সময়ত কিশোৰ-কিশোৰীৰ জীৱনত মোবাইল ফোনৰ প্ৰভাৱ সম্পৰ্কে অভিভাৱক আৰু শিক্ষকৰ মতামত ", এই গৱেষণাটোৰ উদ্দেশ্য হৈছে শিক্ষক আৰু অভিভাৱকৰ মতামত জনা ।

অধ্যয়নটো সম্পন্ন কৰিবলৈ মই নলবাৰী অঞ্চলৰ ও মন চৰকাৰী মহাবিদ্যালয়ৰ 15 জন শিক্ষক নিৰ্বাচন কৰি লৈছিলো । তেওঁলোকৰ পৰা তথ্য সংগ্ৰহ কৰিবলৈ 10 টা প্ৰশ্নৰে প্ৰশ্নাৱলী এখন তৈয়াৰ কৰি লৈছিলো । তেওঁলোকৰ পৰা তথ্যপত্ৰ আৰু প্ৰশ্নাৱলীৰ সহায়ত তথ্যসমূহ সংগ্ৰহ কৰা হৈছিল । সংগৃহীত তথ্য সমূহ বিশ্লেষণ কৰিবলৈ সংখ্যাগত পদ্ধতি ব্যৱহাৰ কৰা হৈছে । শেষত সংগৃহীত তথ্য সমূহৰ পৰা ফলাফল পোৱা গৈছিল যে অভিভাৱক আৰু শিক্ষক সকলে কিশোৰ-কিশোৰীৰ জীৱনত মোবাইল ফোনে প্ৰভাৱ পেলায় বুলি মত প্ৰকাশ কৰিছে ।

# বিষয় (TOPIC)ঃ

বৰ্তমান সময়ত কিশোৰ-কিশোৰীৰ
জীৱনত মোবাইল ফোনৰ প্ৰভাৱৰ ক্ষেত্ৰত
অভিভাৱকৰ আৰু শিক্ষকৰ মতামত

"EFFECT OF MOBILE AMONG ADOLESCENCE IN PRESENT SITUATION"— A DESCRIPTIVE STUDY AMONG PARENT AND TEACHER IN NALBARI DISTRICT.

# CHAPTER-1

## প্ৰস্তাৱনা (Introduction) ঃ

মানৱ জীৱনৰ সামগ্ৰিক বিকাশৰ ভিতৰত কৈশোৰ কালছোৱা এক অতি গুৰুত্বপূৰ্ণ দিশ। কৈশোৰ কালে মানৱ জীৱনৰ দৈহিক, আৱেগিক, মানসিক, আৰু সামাজিক দিশত পৰিৱৰ্তন আনে। এই সময়ছোৱাত ল'ৰা-ছোৱালীয়ে এক নতুন স্তৰত উপনীত হয়। কৈশোৰ শব্দৰ ইংৰাজী প্ৰতিশব্দ 'Adolescence', এই শব্দটো গ্ৰীক ভাষাৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল "To grow to maturity" অৰ্থাৎ বয়ঃপ্ৰাপ্তি কাললৈকে বিকাশ কৰা। ইয়াৰ সময় সীমা 13ৰ পৰা 19 বা 20 বছৰলৈকে।

মনোবিদ এ.টি. জাৰ্চিল্ড (A.T. Jarsild) ৰ মতে, "কৈশোৰ কাল হৈছে এনে এক বয়স যাৰ যোগেদি ল'ৰা-ছোৱালীয়ে বাল্যকালৰ পৰা প্ৰাপ্তবয়স্ক কাললৈ মানসিক, আৱেগিক, সামাজিক, আৰু শাৰীৰিকভাৱে গতি কৰে।"

মাৰ্টিন কুপাৰ নামৰ আমেৰিকান অভিযন্তা এজনে 3 এপ্ৰিল 1973 চনত পোন প্ৰথমবাৰৰ বাবে মোবাইল ফোন নিৰ্মাণ কৰি উলিয়াইছিল। আৰু 1992 চনৰ 23 নৱেম্বৰ তাৰিখে বিশ্বই প্ৰথম বাৰৰ বাবে এটা স্মাৰ্টফোনৰ আভাস পাইছিল। তাৰ পিছত 2011 চনৰ পিছৰে পৰা

প্ৰায় সকলো মানুহে স্মাৰ্টফোনৰ ব্যৱহাৰ কৰিবলৈ লৈছে। বৰ্তমান সময়ত সকলো মানুহৰে মোবাইল ফোনটো জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে।

বৰ্তমান ডিজিটেল যুগত মোবাইল ডিভাইচ সমূহ সকলোতে প্ৰচলিত হৈ পৰিছে। কিশোৰ-কিশোৰী সকলে মোবাইল ফোন গ্ৰহণ কৰাটো শেহতীয়া বছৰ বোৰত বিশ্বজুৰি এক পৰিঘটনা হৈ পৰিছে। এতিয়া ই কিশোৰ-কিশোৰী সকলৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ আৰু গৰিষ্ঠসংখ্যকৰ বাবে ই যোগাযোগৰ আটাইতকৈ জনপ্ৰিয় ৰূপ।

মোবাইল ফোনে কৈশোৰ জীৱনত বিভিন্ন দিশত গভীৰ ভাৱে প্ৰভাৱ পেলাইছে। কিশোৰ-কিশোৰী সকলে তেওঁলোকৰ গঠনমূলক বছৰ বোৰত স্মাৰ্টফোন আৰু টেবলেটৰ ব্যাপক উপস্থিতিক অধিক প্ৰাধান্য দিয়ে। মোবাইল প্ৰযুক্তিৰ সুচকীয়া হাকিয়ে কিশোৰ-কিশোৰী সকলে কেনেকৈ যোগাযোগ কৰে, শিকে, সামাজিক ভাৱে মিলিত হয় আৰু নিজকে মনোৰঞ্জন কৰে তাৰ মাজত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে।

কিশোৰ-কিশোৰীৰ জীৱনত মোবাইল প্ৰযুক্তিৰ প্ৰভাৱ হ্ৰাসিবলৈ অভিভাৱক আৰু শিক্ষক সকলে গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপে কাম কৰে।

## উদ্দেশ্য (Objective) :

(i) মোবাইল ফোন ব্যৱহাৰৰ প্ৰভাৱ সম্পৰ্কে শিক্ষকৰ মতামত জনা।

(ii) মোবাইল ফোন ব্যৱহাৰৰ প্ৰভাৱ সম্পৰ্কে অভিভাৱকৰ মতামত জনা।

(iii) ধনাত্মক আৰু ঋণাত্মক দিশসমূহ অধ্যয়ন কৰা।

## প্ৰয়োজনীয়তা (Need of the study) :

স্মাৰ্টফোনৰ ব্যাপক ব্যৱহাৰ আৰু সামাজিক পাৰস্পৰিক ক্ৰিয়া-কলাপ, মানসিক স্বাস্থ্য, শৈক্ষিক প্ৰদৰ্শন, শাৰীৰিক সুস্থতাকে ধৰি কিশোৰ-কিশোৰীৰ বিকাশৰ বিভিন্ন দিশত ইয়াৰ সম্ভাব্য প্ৰভাৱৰ বাবে কিশোৰ-কিশোৰীৰ জীৱনত মোবাইল প্ৰযুক্তিৰ প্ৰভাৱৰ অধ্যয়ন বৰ্তমানৰ পৰিস্থিতিত অতি গুৰুত্বপূৰ্ণ। এই প্ৰভাৱসমূহ বুজি পালে স্বাস্থ্যসন্মত ব্যৱহাৰৰ ধৰণক প্ৰসাৰিত কৰিবলৈ নীতি, হস্তক্ষেপ আৰু শৈক্ষিক কৌশলসমূহ অৱগত কৰাত সহায় কৰিব পাৰি। এই অধ্যয়নৰ দ্বাৰা আমি নলবাৰী অঞ্চলৰ কিশোৰ-কিশোৰীয়ে মোবাইল ফোন ব্যৱহাৰক লৈ শিক্ষক আৰু অভিভাৱকৰ মতামত জানিম।

## ক্ষেত্ৰ অধ্যয়ন (Area of study):

এই মোৰ বিষয়টো অধ্যয়নৰ বাবে নলবাৰী অঞ্চলৰ শিক্ষক সকলৰ মতামত জানিবলৈ নলবাৰী কলেজ, বাণিজ্য মহাবিদ্যালয়, আৰু মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ শিক্ষক সকলৰ ওচৰত গৈছিলো। মহাবিদ্যালয় কেইখনৰ পৰিৱেশ খুবেই ভাল আছিল। মহাবিদ্যালয়ৰ ভিতৰ ফালে ছাত্ৰ-ছাত্ৰীৰ বাবে পুথিভঁৰালৰ ব্যৱস্থা আছে। ভাল বাথৰুমৰ ব্যৱস্থা আছে। উপযুক্ত শ্ৰেণীকোঠাৰ লগতে ডিজিটেল শ্ৰেণীকোঠাৰো ব্যৱস্থা আছে। লগতে শিক্ষক আৰু শিক্ষাৰ্থীৰ বাবে ভাল পানীৰ ব্যৱস্থাও আছে।

এই মোৰ গৱেষণাটোৰ বাবে অভিভাৱকৰ মতামত জানিবলৈ মই যি কেইখন গাওঁলৈ গৈছিলো প্ৰত্যেকজন অভিভাৱকে ভালদৰে সহযোগিতা কৰিছে। গাওঁকেইখন খুবেই নিৰল আৰু চাফ-চিকুণ আছিল। গাওঁখনৰ মানুহে হাই-কাজিয়া নকৰি মিলা-প্ৰীতিৰে বসবাস কৰি আছে।

# CHAPTER-2

## আনুষংগিক সাহিত্যৰ পৰ্যালোচনা (Review of Related Literature) ঃ

আনুষংগিক সাহিত্যই কোনো বিশেষ বিষয় বা গৱেষণামূলক প্ৰশ্নৰ সৈতে প্ৰাসংগিক বিদ্যমান ৰচনা আৰু অধ্যয়নৰ শৰীৰটোক বুজায়। ইয়াৰে ভিতৰত শৈক্ষিক প্ৰবন্ধ, কিতাপ, গৱেষণা পত্ৰ, আৰু অন্যান্য উৎসসমূহ অন্তৰ্ভুক্ত থাকে, যিয়ে আগ্ৰহৰ বিষয়টোৰ সৈতে জড়িত পদ্ধতিৰ তথ্য, অভিজ্ঞতাভিত্তিক প্ৰমাণ প্ৰদান কৰে।

(i) Toppen Christim নামৰ ব্যক্তিজনাকীয়ে "Walden university"ত জুলাই ২০১৭ চনত "শিশুৰ মোবাইল ডিভাইচ ব্যৱহাৰ আৰু সামাজিক দক্ষতাৰ বিষয়ে অভিভাৱকৰ ধাৰণা"ৰ ওপৰত এটা গৱেষণা কৰিছিল। তেখেতৰ এই গৱেষণাত তেখেতে পাইছিল যে ছোৱালীতকৈ লৰাই মোবাইল ফোনৰ ব্যৱহাৰ বেছি কৰে।

(ii) Dr. J-F, Dr. Darren Pullen, Dr. Karen Swabey নামৰ ব্যক্তি কেইগৰাকীয়ে জুলাই ২০১৪ চনত Australia ৰ "Tasmania university"ত কিশোৰ-কিশোৰীয়ে মোবাইল ফোন ব্যৱহাৰক লৈ এই গৱেষণাটো সম্পাদন কৰিছিল, গৱেষণাটোৰ উদ্দেশ্য আছিল মোবাইল ফোন ব্যৱহাৰ আৰু উন্নয়নমূলক

কার্যপোৰ মাজৰ সম্পৰ্ক অন্বেষণ কৰা। অষ্ট্ৰেলিয়াৰ কুইন্সলেণ্ড বিদ্যালয়ৰ নৱম শ্ৰেণীৰ 218 জন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা স্ব-লিখিত প্ৰশ্নাৱলী ব্যৱহাৰ কৰি তথ্য সংগ্ৰহ কৰিছিল। এই গৱেষণাটোত কিশোৰ-কিশোৰী সকলে নিজৰ মোবাইল ফোনক নিজৰ আত্মবোধ প্ৰকাশৰ উপায় হিচাপে আৰু সমনীয়াৰ সৈতে দ্ৰুত যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে বুলি ফলাফলত পাইছিল।

(iii) Kelogeraki Stefima আৰু Papadaki Marcina নামৰ মহিলা দুগৰাকীয়ে জানুৱাৰী 2010 চনত গ্ৰীচৰ ক্ৰিট বিশ্ববিদ্যালয়ত "কিশোৰ-কিশোৰীৰ সামাজিকৰণত মোবাইল ব্যৱহাৰৰ প্ৰভাৱ'ৰ ওপৰত এটা গৱেষণা কৰিছিল। গ্ৰীচৰ অৰ্ধনগৰীয়া অঞ্চলৰ পৰা 12ৰ পৰা 18 বছৰৰ বয়সৰ শিক্ষাৰ্থীৰ পৰা নমুনা সংগ্ৰহ কৰিছিল। এই গৱেষণাৰ ফলাফলত পাইছিল যে কিশোৰ-কিশোৰীসকলৰ সামাজিকৰণত মোবাইল ফোনত বাধা জন্মায়।

# CHAPTER-3

## পদ্ধতি আৰু কাৰ্যপ্ৰণালী (Methodology and procedure)

যিকোনো গৱেষণা কাৰ্যৰ সফলতা নিৰ্ভৰ কৰে গৱেষণাৰ উপযুক্ত পদ্ধতিৰ ওপৰত। গৱেষণাৰ পদ্ধতিয়ে কোনো এটা গৱেষণা মূলক কাৰ্যৰ সমস্যা সমাধানৰ বিভিন্ন পদক্ষেপ সম্পৰ্কে ইংগিত দিয়ে। মই সম্পন্ন কৰা গৱেষণা কাৰ্যটো সাক্ষাৎকাৰ পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰিছে। ইয়াৰ উপৰিও তথ্য সংগ্ৰহ পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

এই অধ্যয়ন সংখ্যাগত বিশ্লেষণ পদ্ধতিৰে সম্পাদন কৰা হৈছে। Simple Random Sampling কৌশল ব্যৱহাৰ কৰি এই অধ্যয়নটো সম্পাদন কৰিছো। এই অধ্যয়নটো অনুসন্ধান (Survey) পদ্ধতি ব্যৱহাৰ কৰি সম্পন্ন কৰা হৈছে।

## তথ্য সংগ্ৰহ পদ্ধতি (Data Collection Method) ঃ

এই অধ্যয়নটো সম্পাদন কৰাৰ বাবে স্ব-নিৰ্মিত প্ৰশ্নাৱলী ব্যৱহাৰ কৰিছিলো। গৱেষণাটোৰ বাবে মই দুখন প্ৰশ্নাৱলী তৈয়াৰ কৰি লৈছিলো। এখন শিক্ষক আৰু আন এখন অভিভাৱকৰ বাবে। গৱেষণাটো সম্পাদন কৰাৰ বাবে মই নলবাৰী অঞ্চলৰ ৫খন চৰকাৰী মহাবিদ্যালয়ৰ শিক্ষক আৰু গাওঁ অঞ্চলৰ অভিভাৱকৰ পৰা তথ্য সংগ্ৰহ কৰিছো। এই অধ্যয়নটোৰ বাবে প্ৰয়োজনীয় তথ্য হ'ল প্ৰাথমিক আৰু গৌণ,

## ব্যৱহৃত সামগ্ৰী (Tool use) :

এই গৱেষণা কাৰ্যটো সম্পাদন কৰিবলৈ তথ্য সংগ্ৰহ কৰাৰ সময়ত ব্যৱহাৰ কৰা সঁজুলি (Tool) বিধ হ'ল "প্ৰশ্নাৱলী", প্ৰশ্নাৱলীৰ সহায়ত তথ্য সংগ্ৰহ কৰিছো।

## ব্যৱহৃত সামগ্ৰীৰ বৰ্ণনা (Descriptiom about the Tool) :

গৱেষণাটো সম্পাদন কৰাৰ বাবে তৈয়াৰ কৰি লোৱা প্ৰশ্নাৱলীসমূহ মই নিজেই প্ৰস্তুত কৰি লৈছিলো, গৱেষণাটোৰ বাবে দুসমল প্ৰশ্নাৱলী তৈয়াৰ কৰি লৈছিলো। এসমল শিক্ষকৰ বাবে এসমল অভিভাৱকৰ বাবে, গৱেষণাটোত ব্যৱহৃত প্ৰশ্নাৱলী দুসমলত 10 টা হয় / নহয় বিকল্প প্ৰশ্ন আছিল।

## নমুনা সংগ্ৰহ পদ্ধতি (Samplimg Techmique) :

ব্যক্তিগত সদস্য বা জনসংখ্যাৰ পৰা উপযুক্ত ব্যক্তি নিৰ্বাচন কৰি তাৰ পৰা তথ্য সংগ্ৰহ কৰা কৌশলে হ'ল নমুনা সংগ্ৰহ কৌশল। গৱেষণাটো সম্পাদন কৰিবলৈ Sample Random Samplimg কৌশল ব্যৱহাৰ কৰিছো।

## নমুনা (Sample) ঃ

এই গৱেষণাটো সম্পাদন কৰিবলৈ মই 30 জন ব্যক্তি নিৰ্বাচন কৰি লৈছিলো । ইয়াৰে 15 জন শিক্ষক আৰু 15 জন অভিভাৱক । 9 জনী মহিলা শিক্ষয়িত্ৰী, 6 জন পুৰুষ শিক্ষক, 11 জনী মহিলা অভিভাৱক আৰু 4 জন পুৰুষ অভিভাৱকৰ পৰা গৱেষণাটোৰ বাবে তথ্য সংগ্ৰহ কৰিছিলো ।

| Sl.no | | | |
|---|---|---|---|
| 1 | শিক্ষক | পুৰুষ | 6 জন |
| | | মহিলা | 9 জনী |
| 2 | অভিভাৱক | পুৰুষ | 4 জন |
| | | মহিলা | 11 জনী |

# CHAPTER-4

## বিশ্লেষণ আৰু ব্যাখ্যা (Analysis and Interpritation):


তথ্য বিশ্লেষণৰ অৰ্থ হ'ল সংগৃহীত তথ্য সমূহৰ শ্ৰেণী বিভাজন, তালিকা কৰণ আৰু সম্পাদন কৰা লেখ চিত্ৰ উপস্থাপন কৰা। বিশ্লেষণ হৈছে এক ব্যাখ্যাত্মক প্ৰক্ৰিয়া যিয়ে তথ্যৰ যোগেদি লবা সিদ্ধান্ত লয়।

## শিক্ষকৰ প্ৰশ্নাৱলীৰ বিশ্লেষণ:

1. প্ৰথম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি পোৱা গ'ল যে প্ৰায় অধিক সংখ্যক শিক্ষকে প্ৰথম প্ৰশ্নত সমৰ্থন কৰিছে। এই ক্ষেত্ৰত তেওঁলোকৰ মতামত ধনাত্মক,

আনহাতে মাত্ৰ এজন শিক্ষকে এই ক্ষেত্ৰত ঋণাত্মক মতামত প্ৰকাশ কৰিছে।


ধনাত্মক মতামত প্ৰকাশ কৰা শিক্ষকৰ সংখ্যা 14 জন আৰু ঋণাত্মক মতামত 1 জন। তলত ইয়াক লেখচিত্ৰৰ দ্বাৰা উপস্থাপন কৰা হ'ল -



Y
20
15
10
5
0
ছাত্র সংখ্যা
হয়
নহয়
X
প্রতিক্রিয়া

২. দ্বিতীয় প্ৰশ্নাৱলীৰ দ্বাৰা পোৱা তথ্য অনুসৰি পোৱা গ'ল যে অধিক সংখ্যক শিক্ষকে ঋণাত্মক মতামত প্ৰকাশ কৰিছে। আনহাতে কিছুসংখ্যকে ধনাত্মক মতামত দিছে।

ধনাত্মক মতামত প্ৰকাশ কৰা শিক্ষকৰ সংখ্যা 4 জন আৰু ঋণাত্মক মতামত প্ৰকাশ কৰা শিক্ষকৰ সংখ্যা 11 জন। ইয়াক ৰেখাচিত্ৰৰ সহায়ত উপস্থাপন কৰা হ'ল —




3. তৃতীয় প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি প্ৰত্যেকজন শিক্ষকে হঁয়াত্মক মতামত প্ৰকাশ কৰিছে।

4. চতুৰ্থ প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি অধিক সংখ্যক শিক্ষকে হঁয়াত্মক মতামত প্ৰকাশ কৰিছে, কিছুসংখ্যক শিক্ষকেহে নঞাত্মক মতামত দিছে।


হঁয়াত্মক মতামত প্ৰকাশ কৰা শিক্ষকৰ সংখ্যা 12 জন আৰু নঞাত্মক মতামত প্ৰকাশ কৰা শিক্ষকৰ সংখ্যা 3 জন।

ইয়াক লেখাচিত্ৰৰ দ্বাৰা উপস্থাপন কৰা হল -




৯. নবতম প্রশ্নাবলীর থেকে পাওয়া তথ্য অনুসারে ৯ জন শিক্ষককে হ্যাঁবাচক এবং 6 জন শিক্ষককে নেতিবাচক মতামত প্রকাশ করেছে।

ইহাকে রেখাচিত্রের সাহায্যে উপস্থাপন করা হল—




6. ষষ্ঠ প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি 12 জন শিক্ষকে ধনাত্মক আৰু 3 জন শিক্ষকে ঋণাত্মক মতামত প্ৰকাশ কৰিছে।
ইয়াক বেৰচিত্ৰত উপস্থাপন কৰা হল —




7. সপ্তম প্রশ্নাবলীর থেকে পাওয়া তথ্য অনুসারে 14 জন শিক্ষক হ্যাঁবাচক আর 1 জন শিক্ষক নাবাচক মতামত প্রকাশ করেছে।

রেখাচিত্রের সাহায্যে ইহাকে উপস্থাপন করা হল -




৪. অৰ্জিত প্ৰশ্নাৱলীৰ পৰা তথ্য অনুসৰি 14 জন শিক্ষকে ইতিবাচক মতামত প্ৰকাশ কৰিছে আৰু 1 জন শিক্ষকে নেতিবাচক মতামত প্ৰকাশ কৰিছে। ইয়াক ৰেখাচিত্ৰৰ সহায়ত উপস্থাপন কৰা হল —



৬. নৱম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি 14 জন শিক্ষকে হঁনাত্মক আৰু 1 জন শিক্ষকে নঁনাত্মক মতামত প্ৰকাশ কৰিছে।

ইয়াক বেখাচিত্ৰত উপস্থাপন কৰা হ'ল—




10. দশম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি প্ৰত্যেক জন শিক্ষকে ধনাত্মক মতামত প্ৰকাশ কৰিছে ।

## অভিভাৱকৰ প্ৰশ্নাৱলীৰ বিশ্লেষণ :

1. প্ৰথম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি প্ৰায় অধিক সংখ্যক অভিভাৱকে প্ৰথম প্ৰশ্নত সমৰ্থন কৰিছে। এই ক্ষেত্ৰত তেওঁলোকৰ মতামত ধনাত্মক । আনহাতে এজন অভিভাৱকে এই ক্ষেত্ৰত ঋণাত্মক মতামত প্ৰকাশ কৰিছে ।

ধনাত্মক মতামত প্ৰকাশ কৰা অভিভাৱকৰ সংখ্যা 14 জন আৰু ঋণাত্মক মতামত কৰা 1 জন ।


ইয়াক ৰেখাচিত্ৰৰ দ্বাৰা উপস্থাপন কৰা হ'ল –




y
15
10
5
0
x
হয়
নহয়
প্ৰতিক্ৰিয়া

২. দ্বিতীয় প্ৰশ্নাৱলীৰ দ্বাৰা পোৱা তথ্য অনুসৰি ৪ জন অভিভাৱকে ঋণাত্মক মতামত প্ৰকাশ কৰিছে আৰু 7 জন অভিভাৱকে ধনাত্মক মতামত প্ৰকাশ কৰিছে।

ইয়াক স্তম্ভচিত্ৰৰ সহায়ত উপস্থাপন কৰা হল -




৩. তৃতীয় প্রশ্নাবলীর পরা পোৱা তথ্য অনুসারি 11 জন অভিভাবকে ধনাত্মক আৰু 4 জন অভিভাবকে ঋণাত্মক মতামত প্রকাশ করিছে। রেখাচিত্রর সহায়ত উপস্থাপন করা হল —



4. চতুৰ্থ প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি সকলোজন অভিভাৱকে চতুৰ্থ প্ৰশ্নটোত ধনাত্মক মতামত প্ৰকাশ কৰিছে।

5. পঞ্চম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি 10 জন অভিভাৱকে ধনাত্মক আৰু 5 জন অভিভাৱকে ঋণাত্মক মতামত প্ৰকাশ কৰিছে।


ইয়াক বেমালিত্ৰৰ সহায়ত উপস্থাপন কৰা হল —



6. ষষ্ঠ প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি প্ৰত্যেক জন শিক্ষকে ষষ্ঠ প্ৰশ্নটোত ধনাত্মক মত প্ৰকাশ কৰিছে।


৭. সপ্তম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি 10 জন অভিভাৱকে ধনাত্মক আৰু 5 জন অভিভাৱকে ঋণাত্মক মতামত প্ৰকাশ কৰিছে।

বেখাচিত্ৰৰ সহায়ত ইয়াক উপস্থাপন কৰা হ'ল –




৪. অষ্টম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি ৬ জন অভিভাৱকে ধনাত্মক আৰু ৯ জন অভিভাৱকে ঋণাত্মক মতামত প্ৰকাশ কৰিছে।

ইয়াক বেলাচিত্ৰৰ সহায়ত উপস্থাপন কৰা হল —




৩. নৱম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি অধিক সংখ্যক অভিভাৱকে ধনাত্মক মতামত কৰিছে। কিছুসংখ্যক অভিভাৱককেহে ঋণাত্মক মতামত প্ৰকাশ কৰিছে। ধনাত্মক মতামত প্ৰকাশ কৰা অভিভাৱকৰ সংখ্যা ১৪ জন আৰু ঋণাত্মক মতামত প্ৰকাশ কৰা অভিভাৱকৰ সংখ্যা ১ জন।

স্তম্ভচিত্ৰৰ সহায়ত ইয়াক অংকন কৰা হ'ল —



10. দশম প্ৰশ্নাৱলীৰ পৰা পোৱা তথ্য অনুসৰি অধিক সংখ্যক অভিভাৱকে ধনাত্মক, কিছুসংখ্যকে ঋণাত্মক মতামত প্ৰকাশ কৰিছে। ধনাত্মক মতামত প্ৰকাশ কৰা অভিভাৱকৰ সংখ্যা 13 জন আৰু ঋণাত্মক মতামত প্ৰকাশ কৰা অভিভাৱকৰ সংখ্যা ২ জন।

তলত ৰেখাচিত্ৰৰ সহায়ত অংকন কৰা হ'ল —



## ফলাফল (Result)ঃ

এই গৱেষণা কাৰ্যটোৰ প্ৰশ্নাৱলীসমূহ বিশ্লেষণ কৰি ফলাফলত গম পোৱা গ'ল যে অধিক সংখ্যক শিক্ষক আৰু অভিভাৱকে ধনাত্মক মতামত প্ৰকাশ কৰিছে। অৰ্থাৎ শিক্ষক আৰু অভিভাৱকৰ মতে কিশোৰ-কিশোৰীৰ জীৱনত মোবাইলফোনে প্ৰভাৱ পেলাইছে। কিন্তু মোবাইল ফোনে কিশোৰ-কিশোৰীৰ জীৱনত কিছু কিছু ক্ষেত্ৰত ধনাত্মক প্ৰভাৱো পেলাইছে। যেনে মোবাইল ফোন ব্যৱহাৰ কৰি শিক্ষা লাভ কৰা, প্ৰতিভা বিকাশ কৰা, আৰু মোবাইলফোনে কিশোৰ-কিশোৰীৰ জীৱনত ঋণাত্মক প্ৰভাৱো পেলাইছে যেনে মোবাইল ব্যৱহাৰৰ ফলত বিপদত পৰা, পিতৃ-মাতৃৰ লগত অসম্পৰ্কত প্ৰভাৱ পৰা আদি দিশ সমূহ গৱেষণাটোৰ জৰিয়তে গম পোৱা গ'ল। এই গৱেষণাটোৰ জৰিয়তে মোবাইল ফোনে যে কিশোৰ-কিশোৰীৰ জীৱনত প্ৰভাৱ পেলাইছে সেই কথা ভালদৰে গম পোৱা গ'ল। অভিভাৱক সকলে এই ক্ষেত্ৰত ধনাত্মক মতামত প্ৰকাশ কৰিছে।

# CHAPTER-5

## শৈক্ষিক তাৎপৰ্য (Educational Implications):

বৰ্তমান প্ৰযুক্তি বিজ্ঞানৰ যুগত মোবাইল ফোনৰ প্ৰভাৱ যথেষ্ট পৰিলক্ষিত হোৱা দেখা যায়। এই ক্ষেত্ৰত মোবাইল ফোনে কিশোৰ-কিশোৰীৰ জীৱনত গভীৰ ভাৱে প্ৰভাৱ পেলাইছে। মোবাইল ফোন ব্যৱহাৰৰ ফলত কিশোৰ-কিশোৰী সকল নানান সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। বহুতে ইয়াক ধনাত্মক ভাৱে ব্যৱহাৰ কৰে। আৰু বহুতে ইয়াক ঋণাত্মকভাৱে ব্যৱহাৰ কৰে। সেয়েহে শিক্ষাৰ্থীক বিদ্যালয়ত শিক্ষকে মোবাইল ফোনৰ উচিত ব্যৱহাৰ, শিক্ষা গ্ৰহণৰ বাবে মোবাইল ফোন উপযোগী কৰাৰ জ্ঞান, ইয়াৰ ধনাত্মক দিশ সমূহ গ্ৰহণ কৰাৰ জ্ঞান প্ৰদান কৰিব লাগে। অধিক মোবাইল ফোনৰ ব্যৱহাৰে যে শিক্ষা লাভত বাধা জন্মায় সেই সম্পৰ্কে কিশোৰ-কিশোৰীক শিক্ষা প্ৰদান কৰিব লাগে। ঠিক তেনেদৰে কিশোৰ-কিশোৰীয়ে অধিক সময় ঘৰত অতিবাহিত কৰে। সেয়ে অভিভাৱকসকলে কিশোৰ-কিশোৰীক মোবাইল ফোন প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব দিব লাগে। শিক্ষা লাভৰ ক্ষেত্ৰত ইয়াৰ ধনাত্মক

দিশ সমূহ প্ৰয়োগ কৰাৰ জ্ঞান অভিভাৱকে কিশোৰ-কিশোৰীক প্ৰদান কৰিব লাগে। শিক্ষা প্ৰদানৰ জৰিয়তে মোবাইল ফোনৰ উচিত ব্যৱহাৰৰ লগতে মোবাইল ফোন ব্যৱহাৰৰ পৰা হোৱা সমস্যা সমূহৰ পৰা কিশোৰ-কিশোৰীক মুক্ত কৰিব পাৰি।

## পৰামৰ্শ (Suggestion):-

এই গৱেষণা কাৰ্যটো মই নলবাৰী অঞ্চলৰ শিক্ষক আৰু অভিভাৱকৰ মাজত কৰিছো। ভৱিষ্যতেও এই গৱেষণাটো গাওঁ, চহৰ অঞ্চল, জিলা, আন ৰাজ্যত, আন জাতি-জনগোষ্ঠীৰ লোক, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সম্পাদন কৰিব পাৰে বা দুখন গাওঁৰ মাজত, দুখন জিলাৰ মাজত, দুটা জাতিৰ মাজত, দুখন বিশ্ববিদ্যালয়ৰ মাজত এক তুলনামূলক অধ্যয়ন কৰিব পাৰে।

## সামৰণি (Conclussion):

এই দ্ৰুতগতিত চলি থকা পৃথিৱী খনত মোবাইল ফোন আৰু ইয়াৰ ব্যৱহাৰ জীৱনৰ এক অনিবাৰ্য অংশ। এতিয়া আমাৰ হাতত পৃথিৱীখন আমাৰ আঙুলিৰ মূৰত আছে। বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত মোবাইল ফোনৰ ব্যৱহাৰ বহু পৰিমাণে বৃদ্ধি হৈছে। কিশোৰ-কিশোৰীয়ে মোবাইল ফোনক যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও ইয়াক মনোৰঞ্জনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে। এই বিষয়ৰ অধ্যয়নৰ দ্বাৰা আমি ছাত্ৰ-ছাত্ৰী সকলৰ মোবাইলৰ প্ৰতি থকা দৃষ্টিভংগীৰ বিষয়ে জানিব পাৰো। এই গৱেষণা পত্ৰ খনে যোগাযোগৰ উপৰিও কিশোৰ-কিশোৰীসকলৰ জীৱনত মোবাইল ফোনৰ প্ৰভাৱৰ কাৰণ অধিক জানিবলৈ সহায় কৰে।

এই অধ্যয়নটোৰ দ্বাৰা গম পোৱা গল যে অপব্যৱহাৰৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলায়। কিন্তু উপযুক্ত ব্যৱহাৰ কৰিলে ই উপকাৰী হয়। মোবাইল ফোনৰ ব্যাপক ব্যৱহাৰৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰদৰ্শনত নেতিবাচক প্ৰভাৱ পেলায়।

এই অধ্যয়নটোৱে শিক্ষাৰ্থীসকলৰ মাজত মোবাইলফোনৰ প্ৰভাৱ আৰু অপব্যৱহাৰৰ লগতে সমস্যাসমূহৰ সমাধানৰ ওপৰত গুৰুত্ব দিছে। যিয়ে সম্ভাৱনাময় ভাৱে শিক্ষাৰ্থীৰ শৈক্ষিক আৰু সামাজিক মংগলৰ ওপৰত প্ৰভাৱ পেলাব পাৰে।

## গ্ৰন্থপঞ্জী (Reffenences) ঃ


1. Kelogeraki Stefima and papadaki Marima (2010) The impact of mobile use om Teenagers Socialization, The international Journal of indendisciplimary Social Sciences Ammual Review. 5(4): 121-133 DOI: 10. 18848/1833-1882/CGP/VO 5104/51690. https://www.researchgate/The-impact-of-mobile-use-om-Teenagers-Socializatiom Pdf.


2. Dr. J.F, Dr. Darren pulen, Dr. Karen swabey (2014) Adolescent use of mobile phomes: A development paradigm, Tasmania university. Australia. https://www.researchgate/Adolescent-use-of-mobile-phomes-A-Development-paradigm pdf.

3. Topper Christim (2017) parantal perceptiom of mobile device usage im children and Social competency walden university. https://scholar works.waldenu.edu/dissertatioms/perantal-perceptiom-of-mobile-device-usage-im-children-and-social-competency.Pdf.


4. Kalita utpal, Baruah Lahakar Jahnavi, Barman Suman (2021), Development phycology. Bhattacharya Sujit. ISBN-978-93-84466-29-9 Arora fime Arts guwahati.

5. https://em.wikipedia.org/history-of-mobile-phomes. Pdf.




শিক্ষকৰ তথ্য সংগ্ৰহ মুহূৰ্তৰ চিত্ৰ :







অভিলেখকৰ তথ্য সংগ্ৰহ মুহূৰ্তৰ চিত্ৰ ।

37

# শিক্ষকৰ বাবে প্ৰশ্নাৱলী

নাম- Kashinath Bezar Baruah

কলেজ নাম / ঠাইৰ নাম- Nalbari College, Dept of Zoology.

লিংগ- Male

~~শিক্ষক~~/অভিভাৱক- Asst. Prof.

1)কিশোৰ-কিশোৰীয়ে মোবাইল সঘনাই ব্যবহাৰ কৰে বুলি আপুনি ভাবেন? (হয়/নহয়)

2)কৈশোৰ কালৰ লৰা-ছোৱালীয়ে মোবাইল ফোন ব্যবহাৰ কৰাটো আপুনি অনুপযোগী বুলি ভাবে নে? (হয়/নহয়)

3)কিশোৰ-কিশোৰীৰ শৈক্ষিক জীৱনত মোবাইল ফোনে প্ৰভাৱ পেলাই বুলি ভাবে নে? (হয়/নহয়)

4)কিশোৰ-কিশোৰীৰ দৈহিক, মানসিক বৃদ্ধিত মোবাইল ফোনে প্ৰভাৱ পেলাই বুলি ভাবে নে? (হয় /নহয়)

5)কিশোৰ-কিশোৰী বিপদত পৰাৰ কাৰণ মোবাইল ফোন বুলি ভাবে নে? (হয়/নহয়)

6)মোবাইল ফোনে কিশোৰ-কিশোৰী সকলৰ পিতৃ মাতৃ বা অভিভাৱক সৈতে সম্পৰ্কত প্ৰভাৱ পেলাই বুলি ভাবে নে? (হয়/ নহয়)

7)কিশোৰ-কিশোৰী সকলৰ সামাজিক জীৱনত মোবাইল ফোনে যথেষ্ট প্ৰভাৱ পেলাই বুলি ভাবে নে? (হয়/নহয়)

8)কিশোৰ -কিশোৰীৰ অধ্যয়নৰ বাবে মোবাইল ফোনে সহায় কৰে বুলি ভাবে নে? (হয়/নহয়)

9)মোবাইল ফোনে কৈশোৰৰ লৰা-ছোৱালীৰ প্ৰতিভা বিকাশত সহায় কৰে বুলি ভাবে নে? (হয়/নহয়)

10)অভিভাৱক আৰু শিক্ষকসকলে একেলগে কাম কৰি কিশোৰ- কিশোৰীক মোবাইল ফোনৰ উচিত ব্যবহাৰৰ জ্ঞান দিব লাগে বুলি ভাবে নে? (হয়/নহয়)

# অভিভাৱকৰ বাবে প্ৰশ্নাৱলী

নাম- শ্ৰী নমিতা বৈশ্য
ঠাইৰ নাম- বাউসীয়া পাৰা
লিংগ- স্ত্ৰীলিংগ

১)আপোনাৰ লৰা-ছোৱালীয়ে যিকোনো সামাজিক মাধ্যম ব্যৱহাৰ কৰে নেকি?

(হয়/নহয়)

২)কিশোৰ-কিশোৰীয়ে অধিক সময় মোবাইল ব্যৱহাৰ কৰে বুলি ভাবে নেকি?

(হয়/নহয়)

৩) মোবাইল ব্যৱহাৰৰ সুবিধা-অসুবিধা সমূহ আপুনি জানেন?

(হয়/নহয়)

৪)কিশোৰ-কিশোৰীয়ে মোবাইল ফোন ব্যৱহাৰক লৈ অভিভাৱক সকল চিন্তিত হব লাগে বুলি ভাবে নে?

(হয়/নহয়)

৫)মোবাইল ফোনে কিশোৰ-কিশোৰীৰ সামাজিক যোগাযোগত প্ৰভাৱ পেলাই বুলি ভাবে নে?

(হয়/নহয়)

৬)বৰ্তমান যুগত মোবাইলৰ পৰা কিশোৰ-কিশোৰীয়ে শিক্ষা লাভ কৰিব পাৰে বুলি ভাবে নে?

(হয়/নহয়)

৭)মোবাইল ফোনে শিক্ষাত ঋণাত্মক প্ৰভাৱ পেলাই বুলি আপুনি ভাবে নে?

(হয়/নহয়)

৮)মোবাইল ফোনৰ ব্যৱহাৰে কিশোৰ-কিশোৰীক দৈনন্দিন পাঠ্যক্ৰমৰ লগত জড়িত থকাৰ পৰা দূৰ কৰে বুলি ভাবে নেকি?

(হয়/নহয়)

৯)মোবাইল ফোনে কিশোৰ-কিশোৰীৰ প্ৰতিভা বিকাশত সহায় কৰে বুলি ভাবে নে?

(হয়/নহয়)

১০)অভিভাৱক হিচাপে আপুনি পঢ়াৰ সময়ত মোবাইল ব্যৱহাৰ কৰি পঢ়াত সমৰ্থন কৰে নে?

(হয়/নহয়)